জনসাধাৰণ
19/8/15



# ডবকাত এন আৰ চি সেৱা কেন্দ্ৰত গাফিলতি

## প্ৰাপ্তিৰ ৰচিদ প্ৰদানত বিলম্ব

জনসাধাৰণ সেৱা, মোৰাঝাৰ, ১৮ আগষ্টঃ হোজাই মহকুমাৰ ডবকা বজিহ চক্ৰৰ অন্তৰ্গত এন আৰ চি সেৱা কেন্দ্ৰসমূহত প্ৰ-পত্ৰ জমা দি প্ৰাপ্তি ৰচিদ বিচাৰি ৰাইজে চৰম হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। ডাটা এণ্ট্ৰী অপাৰেটৰসকলৰ চৰম গাফিলতি আৰু দায়িত্বজ্ঞানহীনতাৰ ফলত প্ৰতিটো এন আৰ চি সেৱা কেন্দ্ৰত ডাটা এণ্ট্ৰী নকৰা প্ৰ-পত্ৰৰ দ'ম প্ৰতিদিনে বৃদ্ধি হৈ থকাৰ গুৰুতৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, ডবকা ৰাজহ চক্ৰৰ অধীনস্থ মোৰাঝাৰ, চৌধুৰী বজাৰ, অকচেকপথাৰ, চানবালি, কপাহবাৰী, বৰবালি আদি এন আৰ চি সেৱা কেন্দ্ৰবোৰত প্ৰ-পত্ৰ জমা কৰাৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰ-পত্ৰ জমাৰ সংখ্যা বৃদ্ধিৰ ফালে চাই প্ৰতিটো কেন্দ্ৰৰ বিষয়াসকলে দৈনিক প্ৰ-পত্ৰ নিৰীক্ষণৰ সংখ্যাও বৃদ্ধি কৰি তুলিছে। প্ৰ-পত্ৰ নিৰীক্ষণৰ সংখ্যা বৃদ্ধি পোৱাৰ বিপৰীতে লেহেম হৈ পৰিছে ডাটা এণ্ট্ৰীৰ সংখ্যা। দৈনিক নিৰীক্ষণ কৰি গ্ৰহণ কৰা প্ৰ-পত্ৰ আৰু ডাটা এণ্ট্ৰীৰ মাজত সামঞ্জস্য নথকাত ডাটা এণ্ট্ৰী নকৰা প্ৰ-পত্ৰৰ ফাইলে ডাটা এণ্ট্ৰী অপাৰেটৰৰ টেবুলত প্ৰ-পত্ৰৰ দ'ম বাঢ়িছে। অযোগ্য আৰু নিম্নমানৰ যন্ত্ৰাংশৰে এন আৰ চিৰ কাম চলাই যোৱাত সাধাৰণ ৰাইজে চৰম দুৰ্ভোগৰ সন্মুখীন হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এন আৰ চিৰ প্ৰ-পত্ৰ জমা কৰি প্ৰাপ্তি ৰচিদৰ বাবে চাৰি-পাঁচদিন সপ্তাহপৰ্যন্ত অপেক্ষা কৰিবলগীয়া হৈছে। এইক্ষেত্ৰত ডাটা এণ্ট্ৰী অপাৰেটৰসকলৰ নিৰ্লজ্জ মন্তব্যই সাধাৰণ লোকক আচৰিত কৰি তুলিছে। নিৰীক্ষণ কৰা প্ৰ-পত্ৰসমূহৰ দৈনিক ডাটা এণ্ট্ৰীৰ কাম সম্পূৰ্ণ কৰা সম্ভৱ

নহয় বুলি ডাটা এণ্ট্ৰী অপাৰেটৰে ভ
প্ৰদান কৰে। প্ৰ-পত্ৰ প্ৰাপ্তিৰ ৰচিদ দিয়া
দায়িত্ব যদিও আমি হাতে হাতে জমাকা
তুলি দিবলৈ অপাৰগ বুলি মন্তব্য
অপাৰেটৰে। এতিয়া প্ৰশ্ন হয়— প্ৰ
স্বীকৃতিৰ ৰচিদ প্ৰদানৰ যো
ধৰাতো অপাৰেটৰসকলে এক নিয়
পৰিণত কৰি তুলিছে নেকি? এন
চি সেৱা কেন্দ্ৰবোৰত সাধাৰণ জে
আনকি ৰাতে খোৱাপানীৰ ব্যৱস্থা নথকাত ৰাই
মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি
একমাত্ৰ মোৰাঝাৰ এন আৰ চি
কেন্দ্ৰত খোৱাপানীৰ বাবে দমকল বহুৱ
ভেকোভাওনা চলোৱা বুলি গুৰু
অভিযোগ তুলিছে ৰাইজে।